# সাহিত্য সৌৰভ

## উষ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ পাঠ্যপুথি

# প্ৰশ্নোত্তৰ শিতান

<u>মুখবন্ধ</u>

এই শিতানত উষ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ পাঠ্যপুথি ‘সাহিত্য সৌৰভ’ৰ কেতবোৰ প্ৰশ্নোত্তৰ সমাধান কৰি দিবলৈ চেষ্টা কৰা হৈছে। সততে দেখা যায় ছাত্ৰ-ছাত্ৰী বজাৰৰ পৰা কেতবোৰ সহায়ক গ্ৰন্থ ক্ৰয় কৰে। তেনে গ্ৰন্থবোৰ অনুসৰণ নকৰিবলৈ আমি পৰামৰ্শ দিওঁ। তাৰ পৰিবৰ্তে মহাবিদ্যালয়ৰ শিক্ষকৰ দ্বাৰাই প্ৰশ্নসমূহ সমাধান কৰি দিয়াৰ প্ৰয়াস কৰা হৈছে। এইখিনিতে উল্লেখ কৰি থ’ব খোজো যে, কাৰিকৰী কাৰণত ইয়াত কেতবোৰ বৰ্ণাশুদ্ধি থাকি যাব পাৰে। সেইসমূহ শুধৰাই ল’বলৈ ছাত্ৰ-ছাত্ৰীসকলক অনুৰোধ জনোৱা হ’ল।

# বিশ্বখনিকৰ

## মফিজুদ্দিন আহমদ হাজৰিকা

আৰ্হি প্ৰশ্নঃ

ক) অতি চমু প্ৰশ্নঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক – ১)

১) অসমীয়া সাহিত্যত 'জ্ঞানমালিনীৰ কবি' হিচাপে কোনগৰাকী কবি জনাজাত?

উত্তৰঃ মফিজুদ্দিন আহমদ হাজৰিকাক অসমীয়া সাহিত্যত 'জ্ঞানমালিনীৰ কবি' হিচাপে জনা যায়।

২) মফিজুদ্দিন আহমদ হাজৰিকাৰ মৰণোত্তৰ কালত প্ৰকাশিত কবিতা পুথিখনৰ নাম কি?

উত্তৰঃ মফিজুদ্দিন আহমদ হাজৰিকাৰ মৰণোত্তৰ কালত প্ৰকাশিত কবিতা পুথিখনৰ নাম 'তত্ব-পাৰিজাত'।

৩) 'বিশ্বখনিকৰ' বুলি লেখকে কাৰ কথা কৈছে?

উত্তৰঃ 'বিশ্বখনিকৰ' বুলি লেখকে বিশ্বৰ সৃষ্টি কৰোঁতা অৰ্থাৎ ঈশ্বৰৰ কথা কৈছে।

৪) 'বিশ্বখনিকৰ' কোন শ্ৰেণীৰ কবিতা?

উত্তৰঃ 'বিশ্বখনিকৰ' কবিতাটো আধ্যাত্মিক তথা দাৰ্শনিক ভাৱধাৰাৰ কবিতা।

৫) মফিজুদ্দিন আহমদ হাজৰিকা কোন যুগৰ কবি?

উত্তৰঃ মফিজুদ্দিন আহমদ হাজৰিকা জোনাকী যুগৰ কবি।

খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক – ২ অথৱা ৩)

১) মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

উত্তৰঃ মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাৰ দুটা বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল –

ক) 'জোনাকী' যুগৰ কবি হ'লেও মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাৰ ছন্দোৰীতি সুকীয়া।

খ) সহজ-সৰল ঘৰুৱা ভাষাৰ প্ৰয়োগ আৰু ৰূপকৰ সহায়ত আধ্যাত্মিক তত্ব প্ৰকাশ কৰা তেওঁৰ কবিতা আন এক বৈশিষ্ট্য।

২) কবিয়ে ঈশ্বৰক কিয় 'বিশ্বখনিকৰ' বুলি অভিহিত কৰিছে?

উত্তৰঃ কবিৰ মতে পাৰাপাৰহীন বিশ্বব্ৰহ্মাণ্ডৰ ঈশ্বৰৰ দ্বাৰা সৃষ্ট। কবিয়ে জগতৰ প্ৰতিটো বস্তুৰ সৃষ্টি-স্থিতি-লয়ৰ মূলতে পৰম ঈশ্বৰৰ অস্তিত্ব অনুভৱ কৰিছে। জগতৰ জড়-জীৱ প্ৰতিটো বস্তুকে তেওঁ ইমান সূক্ষ্মভাৱে তৈয়াৰ কৰিছে যে প্ৰতিটোৱেই এক আত্মীয়তাৰ জৰীৰে বান্ধ খাই আছে। গছ পাতটোলৈকে সকলোৱে যেন তেওঁৰ মহিমাৰ কথাকে বখানিছে। সেয়েহে কবিয়ে ঈশ্বৰক 'বিশ্বখনিকৰ' বুলি অভিহিত কৰিছে।

৩) সত্বঃ, ৰজঃ, তমো গুণ কি বুজাই লিখা।

উত্তৰঃ সত্বঃ, ৰজঃ, তমোগুণক ত্ৰিগুণ বোলা হৈছে। এই ত্ৰিগুণতে জগতৰ সৃষ্টি-স্থিতি আৰু লয় হয়।

সত্বঃ গুণ – ই সুখদায়ক আৰু জ্ঞানাত্মক। সত্বঃ গুণৰ অধিকাৰী হ'লে জ্ঞান আৰু সুখ পোৱা যায়।

ৰজঃ গুণ – ই ৰাগাত্মক। ৰজঃ গুণে মানুহক বিষয়ত আসক্ত কৰে আৰু দুখ নমাই আনে।

তমঃ গুণ – তমঃ গুণ অজ্ঞানতাৰ পৰা হয়। ই জীৱনলৈ অজ্ঞানতা নমাই আনে।

৪) মফিজুদ্দিন আহমদ হাজৰিকাৰ দুখন কাব্যপুথিৰ নাম লিখা।

উত্তৰঃ মফিজুদ্দিন আহমদ হাজৰিকাৰ দুখন কাব্যপুথি হ'ল – 'জ্ঞানমালিনী' আৰু 'তত্ব পাৰিজাত'।

৫) কবিয়ে 'বিশ্বখনিকৰ'ক কিয় সৰ্বব্যাপী, সৰ্বশক্তিমান বুলি আখ্যা দিছে?

উত্তৰঃ কবিয়ে ঈশ্বৰক বিশ্বখনিকৰ বুলি আখ্যা দিছে। সমস্ত চৰাচৰৰ অধিপতি সেই সৰ্বশক্তিমান ঈশ্বৰ জগতৰ সৃষ্টি, স্থিতি আৰু লয় সকলোৰে অধিকাৰী। সত্বঃ, ৰজঃ তমঃ তিনিও গুণ তেওঁতে বিৰাজমান যদিও তেওঁ নিৰ্গুণ। সমগ্ৰ বিশ্বক তেৱেঁই তিল্ তিলকৈ গঢ় দিছে। সেয়ে কবিয়ে তেওঁক সৰ্বব্যাপী, সৰ্বশক্তিমান বুলি আখ্যা দিছে।

গ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক – ৪ অথৱা ৫)

১) 'বিশ্বখনিকৰ' কবিতাটোৰ মাজেৰে কবিয়ে প্ৰকৃততে কাৰ কথা কৈছে আৰু কি ভাৱ প্ৰকাশ কৰিব বিচাৰিছে?

উত্তৰঃ 'বিশ্বখনিকৰ' কবিতাটোৰ মাজেৰে কবিয়ে প্ৰকৃততে চৰাচৰ জগতৰ সৃষ্টিকৰ্তা ঈশ্বৰৰ কথা কৈছে। সেই পৰম সত্তাই সকলো সৃষ্টি, স্থিতি আৰু লয়ৰ অধিকাৰী। তেওঁ সমগ্ৰ বিশ্বকে তিল তিলকৈ গঢ় দিছে। যদিও কোনেও চাক্ষুষ দৃষ্টিৰে তেওঁক দেখা নাপায় তথাপি তেঁৱেই সমগ্ৰ ব্ৰহ্মাণ্ডৰ প্ৰাণস্বৰূপ। সত্বঃ, ৰজঃ তমঃ তিনিও গুণ তেওঁতে বিৰাজমান যদিও তেওঁ নিৰ্গুণ। সৰ্বত্ৰতে বিয়পি থকা তেওঁ মহাশক্তিমান। কবিতাটোৰ মাজেৰে এই দাৰ্শনিক তত্বকে কবিয়ে প্ৰকাশ কৰিব বিচাৰিছে।

২) 'সকলোতে আছে তেওঁ

কিন্তু নেদেখে কেও

ওৰণিৰে মুখ ঢাকি থাকে ওচৰত।' – এই কবিতাফাকিৰ মাজেৰে কবিয়ে কি ভাৱ প্ৰকাশ কৰিব বিচাৰিছে লিখা।

উত্তৰঃ ব্ৰহ্মাণ্ডৰ অধিকাৰী ঈশ্বৰে সমগ্ৰ বিশ্বকে তিল তিলকৈ গঢ় দিছে। বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিটো বস্তুতে সকলোতে সেই পৰম সত্তা বিৰাজমান। প্ৰতিমুহূৰ্ততে সেই পৰম সত্তাৰ অস্তিত্ব সকলোৱে অনুভৱ কৰে যদিও কোনেও চাক্ষুষ দৃষ্টিৰে তেওঁক কোনেও দেখা নাপায়। সত্বঃ, ৰজঃ তমঃ তিনিও গুণ তেওঁতে বিৰাজমান যদিও তেওঁ সকলোতে নিৰ্গুণ। সৰ্বত্ৰতে বিয়পি থকা তেওঁ মহাশক্তিমান আৰু সমগ্ৰ বিশ্বৰ প্ৰাণস্বৰূপ। উক্ত কবিতাফাঁকিৰ মাজেৰে কবিয়ে এই দাৰ্শনিক তত্বকে প্ৰকাশ কৰিব বিচাৰিছে।

৩) 'বিশ্বখনিকৰ' কবিতাটিৰ মূলভাৱটি লিখা।

উত্তৰঃ মফিজুদ্দিন আহমদ হাজৰিকাৰ 'বিশ্বখনিকৰ' কবিতাটো এটা উল্লেখযোগ্য কবিতা। কবিতাটোৰ মাজেৰে ব্ৰহ্মাণ্ডৰ অধিপতি ঈশ্বৰক সমগ্ৰ বিশ্বৰ খনিকৰ ৰূপে অংকন কৰিছে। জগতৰ সৃষ্টি, স্থিতি আৰু লয়ৰ অধিকাৰী ঈশ্বৰক কোনেও চাক্ষুষ দৃষ্টিৰে প্ৰত্যক্ষ কৰা নাই। কিন্তু সমস্ত জড়জগত আৰু জীৱজগতৰ সৃষ্টিকৰ্তা ঈশ্বৰে খনিকৰৰূপে প্ৰতিটো বস্তুকে তিল তিলকৈ গঢ় দিছে। সকলোকে একেডাল আত্মীয়তাৰ জৰীৰে বান্ধি ৰাখিছে এই পৰম সত্তাই। সেয়ে ব্ৰহ্মাণ্ডৰ সকলোতে এই পৰম সত্তাৰ অস্তিত্ব অনুভৱ কৰা যায়। সত্বঃ, ৰজঃ তমঃ তিনিও গুণ তেওঁতে বিৰাজমান যদিও তেওঁ সকলোতে নিৰ্গুণ। সৰ্বত্ৰতে বিয়পি থকা তেওঁ মহাশক্তিমান আৰু সমগ্ৰ বিশ্বৰ প্ৰাণস্বৰূপ। এই পৰম দাৰ্শনিক তত্বকে কবিতাফাঁকিৰ মাজেৰে কবিয়ে প্ৰকাশ কৰিবলৈ যত্ন কৰিছে।

৪) 'বিশ্বখনিকৰ' কবিতাটিত প্ৰকাশিত আধ্যাত্মিক দৰ্শনৰ চমু আভাস দিয়া।

উত্তৰঃ মফিজুদ্দিন আহমদ হাজৰিকাৰ 'বিশ্বখনিকৰ' নামৰ কবিতাটোৰ মাজেৰে কবিয়ে জগতৰ সৃষ্টিকৰ্তা ঈশ্বৰৰ অস্তিত্বৰ সন্ধান কৰিছে। কবিৰ মতে সমস্ত জগত এই পৰম সত্তাৰ নিৰ্দেশতে সৃষ্টি হৈছে আৰু লয় হৈছে। আকাশৰ গ্ৰহ, তৰাই স্বস্থানত বৰ্তি আছে এই পৰম ব্ৰহ্মৰ কৃপাতে। তেওঁৰ কৃপাৰ ফলতে মানুহ আত্মীয়তাৰ বান্ধোনেৰে বান্ধ খাইছে। গছ-লতা, পশু-পক্ষীয়ে নিজ নিজ কাম কৰি জগতত বৰ্তি আছে এই পৰম শক্তিমানৰ কৃপাৰ বাবেই। কিন্তু এই পৰম সত্তাই আমাৰ চৌদিশ নিয়ন্ত্ৰণ কৰি আছে যদিও চাক্ষুষ দৃষ্টিৰে কোনেও তেওঁক প্ৰত্যক্ষ কৰা নাই। ত্ৰিগুণ তেওঁৰেই অন্যতম অংশ যদিও তেওঁ নিজে নিৰ্গুণ। অৰ্থাৎ পাৰ্থিৱ জগতৰ কোনো বিষয়-বাসনাই তেওঁক কেতিয়াও স্পৰ্শ কৰিব নোৱাৰে। কবিতাটোত এই আধ্যাত্মিক তত্বৰ দিশটোকে তুলি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

৫) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰাঃ

> 'তেৱেঁ কাম তেৱেঁ কৰ্মী তেৱেঁ কাৰিকৰ
>
> নিশ্চয় নিশ্চয় তেৱেঁ বিশ্বখনিকৰ।'

উত্তৰঃ উক্ত কবিতাফাঁকি আমাৰ পাঠ্যপুথিৰ মফিজুদ্দিন আহমদ হাজৰিকা ৰচিত 'বিশ্বখনিকৰ' নামৰ কবিতাটোৰ পৰা তুলি দিয়া হৈছে।

চৰাচৰ ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা ঈশ্বৰৰ মাহাত্ম্যৰ কথা ক'বলৈ গৈ কবিয়ে উক্ত কবিতাফাঁকিৰ অৱতাৰণা কৰিছে।

সৰ্বশক্তিমান ঈশ্বৰ জগতৰ সৃষ্টি, স্থিতি আৰু লয় সকলোৰে অধিকাৰী। সমগ্ৰ বিশ্বক তেৱেঁই তিল্ তিলকৈ গঢ় দিছে। সৰ্বত্ৰতে বিয়পি থকা তেওঁ মহাশক্তিমান আৰু সমগ্ৰ বিশ্বৰ প্ৰাণস্বৰূপ। তেওঁৰ দয়াতেই সমস্ত চৰাচৰে নিজ নিজ কৰ্তব্য পালন কৰি বৰ্তি আছে। সত্বঃ, ৰজঃ তমঃ তিনিও গুণ তেওঁতে বিৰাজমান যদিও তেওঁ নিৰ্গুণ। সেয়ে কবিয়ে তেওঁক সৰ্বব্যাপী, সৰ্বশক্তিমান বুলি আখ্যা দিছে আৰু বিশ্বৰ খনিকৰ ৰূপত কল্পনা কৰিছে।

<u>অতিৰিক্ত প্ৰশ্নোত্তৰঃ</u>

১) অসমীয়া সাহিত্যলৈ ছুফীবাদী দৰ্শনৰ আমদানি ঘটোৱা কবিগৰাকীৰ নাম লিখা।

উত্তৰঃ প্ৰথমে মফিজুদ্দিন আহমদ হাজৰিকাই অসমীয়া ভাষালৈ ছুফী সাধকসকলৰ ভাৱধাৰাৰ আমদানী ঘটাইছিল।

২) মফিজুদ্দিন আহমদ হাজৰিকা সাহিত্য সভাৰ কোন অধিবেশনৰ সভাপতি আছিল?

উত্তৰঃ মফিজুদ্দিন আহমদ হাজৰিকা ১৯৩০ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ গোলাঘাট অধিবেশনৰ সভাপতি আছিল।

৩) তলৰ শব্দবোৰৰ অৰ্থ লিখাঃ

যদিস্যাতো – যদিও

এমাডিমা – নিচেই ল'ৰালি কাল।

গোমোস্তা – দোকানৰ হিচাপ-পত্ৰ ৰখা কৰ্মচাৰী।